بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# নিশ্চয় তোমালোকৰ বাবে আল্লাহ আৰু ৰছুলৰ মাজত উত্তম আদৰ্শ আছে

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৯ ডিচেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ.কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা আহজাবৰ ২২ নং আয়াত পাঠ কৰে, ইয়াৰ অনুবাদ উত্থাপন কৰি কয় যে নিশ্চয় তোমালোকৰ আৰু পৰলোকত বিশ্বাস স্থাপন কৰা প্ৰতিজন ব্যক্তিৰ বাবে আৰু অধিক পৰিমাণে আল্লাহক স্মৰণ কৰা সকলৰ বাবে আল্লাহ আৰু ৰছুলৰ মাজত উত্তম আদৰ্শ আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে হজৰত আয়শা ছিদ্দিকা (ৰাঃ)ক কোনোবাই সুধিছিল যে তেখেত (ছাঃ)ৰ উত্তম চৰিত্ৰ আৰু আদৰ্শৰ বিষয়ে কিছু কওঁক, তেতিয়া হজৰত আয়শা (ৰাঃ)য়ে উত্তৰ দিছিল যে তোমালোকে কোৰআন পঢ়া নাই নে ? তাত আল্লাহ তা'লাই নিজেই তেখেত (ছাঃ)ৰ আদৰ্শৰ বিষয়ে সাক্ষ্য প্ৰদান কৰিছে। যিদৰে আল্লাহ তা'লাই কৈছে, **ওৱা ইন্নাকা লাআলা কুলুকিন আজিম**। হে ৰছুল ! তুমি নিশ্চয় উত্তম চৰিত্ৰৰ গৰাকী। গতিকে আদৰ্শ সেই বস্তুৱে স্থাপন কৰে যাৰ স্থান অতি মৰ্যাদাপূৰ্ণ। যথাসম্ভৱ আঁহজৰত (ছাঃ)ৰ সম্পৰ্ক, সেয়া খোদা তা'লাৰ অধিকাৰৰ সন্দৰ্ভত হওঁক বা মানৱজাতিৰ অধিকাৰৰ সন্দৰ্ভত হওঁক, তেখেত (ছাঃ)য়ে এই দুয়োটা ক্ষেত্ৰতেই উত্তম আদৰ্শ স্থাপন কৰিছিল, যাৰ বিষয়ে খোদা তা'লাই স্বয়ং সাক্ষ্য প্ৰদান কৰিছে। সেই কাৰণে আল্লাহ তা'লাই আমাক কৈছে যে এই ৰছুল তোমালোকৰ বাবে উত্তম আদৰ্শ। কেৱল তেখেতৰ কথা শুনিলেই নহ'ব, বৰঞ্চ ইয়াৰ ওপৰত পৰিচালিত হ'ব লাগিব। বিশ্বাস স্থাপন কৰাটোৱেই যথেষ্ট নহয়,

যেতিয়া তোমালোকে তেখেত (ছাঃ)ৰ আদেশ সমূহৰ ওপৰত পৰিচালিত হ'বা, তেতিয়া নিশ্চয় তোমালোকে সেই মৰ্যাদা লাভ কৰিব পাৰিবা, যাৰ বাবে মই ৰছুলুল্লাহ (ছাঃ)ক প্ৰেৰণ কৰিছোঁ। গতিকে সেই মৰ্যাদা হৈছে আঁহজৰত (ছাঃ)ৰ আদৰ্শ। আঁহজৰত (ছাঃ)য়ে স্বয়ং কৈছে যে তোমালোকে মোৰ ছুন্নতৰ ওপৰত পৰিচালিত হোৱা, মোৰ আদৰ্শৰ ওপৰত পৰিচালিত হোৱা, কিয়নো আল্লাহ তা'লাই মোক তোমালোকক সংস্কাৰ কৰিবলৈ প্ৰেৰণ কৰিছে, লগতে আৰু কয় যে উত্তম আদৰ্শ স্থাপন কৰাৰ বাবে মোক পঠিয়াইছে। গতিকে উত্তম আদৰ্শ সেইজনেই স্থাপন কৰে যিয়ে সমগ্ৰ বৈশিষ্ট্যৰ ওপৰত পৰিচালিত হয় আৰু যাৰ মাজত সমগ্ৰ গুণাৱলী পোৱা যায়।

হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে দিবাচা তফছিৰুল কোৰআন আৰু জীৱনীমূলক কিতাপত তেখেত (ছাঃ)ৰ চৰিত্ৰ আৰু জীৱনীৰ বিষয়ে যি উল্লেখ পোৱা যায়, তাৰ মাজৰ পৰা আজি মই সংক্ষিপ্তভাৱে কিছু কথা বৰ্ণনা কৰিম বুলি হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়, পৰৱৰ্তীত যেতিয়াই সুযোগ পাম ইয়াৰ বিস্তাৰিত বিৱৰণ উল্লেখ কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে প্ৰথম কথা হ'ল আল্লাহ তা'লা সত্য, আল্লাহৰ উপাসনা সত্য। ইয়াৰ মাজত আঁহজৰত (ছাঃ)ৰ আদৰ্শ কেনে ধৰণৰ দেখিবলৈ পোৱা যায় ? আমি দেখিবলৈ পাও যে ৰছুলে কৰিম (ছাঃ)ৰ গোটেই জীৱন খোদাৰ প্ৰেমত নিমগ্ন আছিল। তেখেত (ছাঃ)ৰ ওপৰত নতুন চৰিয়ত অৱতীৰ্ণ হোৱা সত্বেও, লোকসকলৰ প্ৰশিক্ষণ কৰা যি এক ডাঙৰ দায়িত্ব আছিল, তথাপিও তেখেত (ছাঃ)য়ে খোদা তা'লাৰ অধিকাৰ, অৰ্থাৎ খোদাৰ উপাসনা কৰাটো কেতিয়াও পাহৰি যোৱা নাছিল। এইটো বৰ গুৰুত্বপূৰ্ণ কথা; কেতিয়াবা তেখেত (ছাঃ)অসুবিধাৰ সন্মুখীন হৈছিল, যুদ্ধৰ বাবে ৰাওনা হ'বলগীয়া হৈছিল, শত্ৰুসকলে আক্ৰমণও কৰিছিল তথাপি আল্লাহ তা'লাৰ অধিকাৰ পালন কৰাত কেতিয়াও তেখেত (ছাঃ)য়ে দুৰ্বলতা প্ৰদৰ্শন কৰা নাছিল। গতিকে এইটো সেই আদৰ্শ যিটো আমাৰ সন্মুখত আছে। আমি সদায় আল্লাহ তা'লাক প্ৰাধান্য দিয়া উচিত, যেতিয়া আমি আল্লাহ তা'লাক প্ৰাধান্য দিম, তেতিয়া আমাৰ বিভিন্ন সমস্যাৱলী নিজে নিজেই সমাধান হৈ যাব। লোকসকলে নিজৰ সমস্যাৱলীৰ বাবে প্ৰাৰ্থনা কৰে, কিন্তু আমি আল্লাহ তা'লাৰ অধিকাৰ পালন নকৰো, সেই কাৰণে বহু সময়ত মানুহ নিৰাশ হৈ পৰে।

তেখেত (ছাঃ)ৰ উপাসনাৰ মানদণ্ড কেনেকুৱা আছিল ? তেখেত (ছাঃ)য়ে মাজনিশা খোদা তা'লাৰ উপাসনাৰ বাবে থিয় হৈছিল। আল্লাহ তা'লাই এই কথাৰ সাক্ষ্য প্ৰদান কৰিছে। এইদৰে তেখেত (ছাঃ)ৰ জীৱনীত এই ঘটনা পোৱা যায় যে যেতিয়া তেখেত (ছাঃ)য়ে আল্লাহৰ বাণী শুনিছিল বিশেষকৈ সেই আয়াতসমূহ শুনি যিবোৰত তেখেত (ছাঃ)ক নিজৰ দায়িত্বৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰা হৈছিল, তেতিয়া তেখেত (ছাঃ)ৰ চকুৰ পৰা ধাৰাবাহিকভাৱে অশ্ৰু নিৰ্গত হৈছিল। এবাৰ তেখেত (ছাঃ)ৰ আদেশ অনুসৰি হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে ছুৰা নিছা পাঠ কৰিবলৈ আৰম্ভ কৰে, যেতিয়া সেই আয়াতত গৈ উপনীত হয়, অৰ্থাৎ সেই সময়ত কি অৱস্থা হ'ব, যেতিয়া আমি প্ৰত্যেকজন নবীক তেওঁলোকৰ জাতিৰ সন্মুখত থিয় কৰোৱা হ'ব, সেই জাতিৰ হিচাপ-নিকাচ লোৱা হ'ব, আৰু তোমাকও তোমাৰ জাতিৰ সন্মুখত থিয় কৰাই হিচাপ-নিকাচ লোৱা হ'ব। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন মাছুদক কয় যে বন্ধ কৰা, বন্ধ কৰা। চাহাবাজনে কয় যে মই যেতিয়া তেখেত (ছাঃ)ৰ ফালে দৃষ্টি নিক্ষেপ কৰিলো, তেতিয়া তেখেত (ছাঃ)ৰ দুয়ো চকুৰ পৰা অশ্ৰু বৈ

আছিল। ইমানে তেখেত (ছাঃ)ৰ ভিতৰত ভয় সৃষ্টি হৈছিল যে মোৰ জাতিয়ে যেন এনেকুৱা কোনো কাম নকৰে যাৰ ফলত খোদা তা'লাৰ শাস্তি নামি আহে আৰু তেওঁলোকৰ বিৰুদ্ধে মোৰ সাক্ষী দিবলগা হয়, তেখেত (ছাঃ)ৰ জাতিৰ প্ৰতি নিশ্চয় এই চিন্তা-চেতনা সৃষ্টি হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে তেখেত (ছাঃ)ৰ নিয়মিত নামাজৰ অৱস্থালৈ লক্ষ্য কৰক, নামাজৰ বাবে তেখেত (ছাঃ) ইমানে মগ্ন আছিল যে অসুস্থ অৱস্থাতেও, তেখেত (ছাঃ)ৰ জীৱনৰ শেষ মুহূৰ্তত শুই থকা অৱস্থাত নামাজ পঢ়াৰ অনুমতি প্ৰদান হয়, ইতিহাসত উল্লেখ আছে যে তেখেত (ছাঃ)য়ে লোকসকলৰ সহাৰি লৈ নামাজ পঢ়াৰ বাবে মছজিদলৈ গৈছিল। এইদৰে তেখেত (ছাঃ)য়ে কষ্টত নামাজ পঢ়াটো অপছন্দ কৰিছিল। উপাসনাৰ প্ৰতি ইমান গুৰুত্ব দিয়া সত্ত্বেও তেখেত (ছাঃ)য়ে কৈছিল যে নামাজত কষ্ট হ'ব নালাগে। তেখেত (ছাঃ)য়ে কৈছে যে প্ৰতিজন ব্যক্তিয়ে সেই সময়লৈকে নামাজ পঢ়িব লাগে, যেতিয়ালৈকে তেওঁৰ হৃদয় প্ৰসন্ন থাকে। যেতিয়া ভাগৰি পৰে তেতিয়া বহি যাব লাগে, কৃত্ৰিম আৰু জোৰকৈ কৰা উপাসনাই কোনো উপকাৰ সাধন কৰিব নোৱাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজিকালিৰ লোকসকলক এয়াও কৈ দিওঁ ইয়াৰ অৰ্থ এইটো নহয় যে কষ্ট সহ্য কৰাৰ প্ৰয়োজন নাই, সেই কাৰণে ততাতৈয়াকৈ নামাজ পঢ়িব আৰু কেৱল ফৰজ নামাজ আদায় কৰিব, আৰু ক'ব যে কাম সম্পূৰ্ণ হৈ গৈছে। কেইবাবাৰ মৌলৈ লোকসকলে প্ৰশ্ন সুধিছে যে নামাজ কেনেকৈ পঢ়িব লাগে ? নামাজ গভীৰ মনোযোগেৰে পঢ়িব।

খোদা তা'লাৰ ওচৰত নত হোৱাৰ লক্ষ্য এনেকুৱা আছিল যে যেতিয়া লোকসকলে তেখেত (ছাঃ)ক কৈছিল যে আপুনি নিজৰ কৰ্মৰ জৰিয়তে খোদা তা'লাৰ কৃপা অৰ্জন কৰিব; কিয়নো খোদা তা'লাই আপোনাক এই প্ৰমাণেৰে ভূষিত কৰিছে যে আপোনাৰ আদৰ্শ মুছলমান সকলৰ কৰ্মৰ বাবে এক উচ্চ মানদণ্ড হিচাপে গণ্য হৈছে। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে নহয়, নহয়! মইও খোদাৰ দয়াৰ ফলত ক্ষমাৰ যোগ্য হ'ম। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে উপদেশ কৰি কৈছিল যে সজ কাম কৰি যোৱা, আৰু খোদা তা'লাৰ সান্নিধ্য লাভ কৰাৰ পথ বিচৰা, আৰু তোমালোকৰ কোনেও নিজৰ মৃত্যুৰ কামনা নকৰিব। যদি তেওঁ পুণ্যবান, তেন্তে জীৱিত থাকি নিজৰ সজ কামত আগবাঢ়ি যাব; আৰু যদি দুষ্ট, তেন্তে তেওঁক জীৱিত ৰাখি নিজৰ পাপৰ পৰা তৌবা কৰাৰ সৌভাগ্য লাভ কৰিব। এইটো গুৰুত্বপূৰ্ণ উপদেশ হয়, যাক আমি মনত ৰখা উচিত যে কেতিয়াও মৃত্যুৰ কামনা কৰা ঠিক নহয়।

তেখেত (ছাঃ)ৰ কৰ্মৰ বিষয়ে হজৰত আয়শা (ৰাঃ)য়ে এঠাইত কৈছে যে জীৱনত কেতিয়াও এনেকুৱা সুযোগ অহা নাই যে তেখেত (ছাঃ)ৰ সন্মুখত দুটা পথ মুকলি হৈছে আৰু তেখেত (ছাঃ)য়ে সেই দুটা দিশৰ সহজ বাট অৱলম্বন কৰিছে, সেই চৰ্তত সহজ বাট অৱলম্বন কৰিছে যাতে কোনো পাপৰ শংকা অৱশিষ্ট নাথাকে।

মানৱজাতিৰ সৈতে তেখেত (ছাঃ)ৰ যথাসম্ভৱ সম্পৰ্ক, এয়া তেখেত (ছাঃ)ৰ ঘৰৰ পৰা আৰম্ভ কৰো যে তেখেত (ছাঃ)য়ে নিজৰ পত্নীসকলৰ সৈতে কেনেদৰে আচৰণ কৰিছিল ? বিনম্ৰতামূলক আৰু ন্যায়সংগত আচৰণ কৰিছিল। আজিকালিৰ লোকসকলে যদি এয়া বুজি পায়, তেন্তে সংসাৰত বহু বিবাদৰ নিষ্পত্তি ঘটিব।

তেখেত (ছাঃ)ৰ ধৈৰ্যৰ এনেকুৱা আদৰ্শ আছিল যে খোদা তা'লাই তেখেত (ছাঃ)ক যদিও

বাদশ্বাহ বনাইছিল, তথাপি তেখেত (ছাঃ)য়ে সকলোৰে কথা শুনিছিল, কোনোবাই কঠোৰ কথা কলেও তেখেত (ছাঃ)য়ে নীৰৱ হৈ থাকিছিল। কেতিয়াবা লোকসকলে তেখেত (ছাঃ)ৰ পথত বাধা হৈ থিয় দি নিজৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা আৰম্ভ কৰিছিল। তেওঁলোকৰ কথা শেষ নোহোৱালৈকে তেখেত (ছাঃ)য়ে থিয় হৈ থাকিছিল, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে আগবাঢ়িছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)ৰ জীৱনীৰ আৰু বহু দিশ আছে, সেয়া হৈছে তেখেত (ছাঃ)ৰ ন্যায় বিচাৰ, অনুভূতিৰ প্ৰতি সন্মান, দুখীয়াসকলৰ প্ৰতি লক্ষ্য ৰখা, এইবোৰ আমাৰ বাবে এক আদৰ্শ হয়। আমি এই আদৰ্শৰ ওপৰত পৰিচালিত তথা প্ৰকৃত মুছলমান হোৱাৰ, খোদা তা'লাই আমাক সৌভাগ্য দান কৰক, আৰু তেখেত (ছাঃ)ৰ বাৰ্তা পৃথিৱীৰ প্ৰান্তলৈকে পৌচাবৰ সৌভাগ্য দান কৰক, যাতে জগতবাসীয়ে তেখেত (ছাঃ)ৰ পতাকাৰ তলত আহিব পাৰে। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক। **আল্লাহুম্মা চাল্লি আলা মুহাম্মাদিও ওৱা আলে মুহাম্মাদিও ওৱা বাৰিক ওৱা ছাল্লিম ইন্নাকা হামিদুম মাজিদ।**

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় লায়িক আহমদ তাহিৰ চাহাব মুৰববী ছিলছিলাৰ জানাজা হাজিৰ আৰু মাননীয় ছিগাজালু চাহাব নায়েব ছদৰ ৰিজন ছিগুমালিৰ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু প্ৰয়াত দুয়োজনৰ গুণাৱলী বৰ্ণনা কৰি তেওঁলোকৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 19 DEC 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB